# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 22-06-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

- - - - - - - - - - - - - - - - - - - - - -

১। ভাৰত আৰু বাংলাদেশৰ আজি বিভিন্ন ক্ষেত্ৰত কেইবাখনো গুৰুত্বপূৰ্ণ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ।

২। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনৰ সকলো ৰাজ্যৰ বিত্ত মন্ত্ৰীৰে নতুন দিল্লীত প্ৰাক বাজেট বৈঠক। বৈঠকত অসমৰ বিত্ত মন্ত্ৰী অজন্তা নেওগৰ অংশগ্ৰহণ।

৩। ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে ভাৰতীয় জনতা পাৰ্টিৰ অসম প্ৰদেশৰ সমিতি গঠন। কেন্দ্ৰীয় মন্ত্ৰীসভাত স্থান লাভ কৰা সৰ্বানন্দ সোণোৱাল আৰু পবিত্ৰ মাৰ্ঘেৰিটাসহ বিজেপিৰ নৱনিৰ্বাচিত সাংসদক মুখ্যমন্ত্ৰীৰ উপস্থিতিত সম্বৰ্ধনা।

৪। শক্তিপীঠ কামাখ্যা ধামত অম্বুবাচী মেলা আৰম্ভ। নীলাচল পাহাৰত দেশী-বিদেশী ভক্তৰ সমাগম।

**আৰু**

৫। আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি ছুপাৰ-এইট পৰ্যায়ৰ এখন খেলত ভাৰত বাংলাদেশ মুখামুখি।

ooooo

ভাৰত আৰু বাংলাদেশে আজি কেইবাটাও গুৰুত্বপূৰ্ণ ক্ষেত্ৰত চুক্তি স্বাক্ষৰ কৰাৰ লগতে কেইবাখনো বুজাবুজি চুক্তি নৱীকৰণ কৰিছে। এই চুক্তিসমূহৰ ভিতৰত ডিজিটেল আৰু সেউজ অংশীদাৰিত্ব, সামুদ্ৰিক সহযোগিতা, সামুদ্ৰিক অৰ্থনীতি, স্বাস্থ্য আৰু ঔষধ, মহাকাশ ক্ষেত্ৰত সহযোগিতা বৃদ্ধি, ৰে'ল যোগাযোগ ইত্যাদি অন্যতম। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভাৰত ভ্ৰমণৰত বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেখ হাছিনা মাজত অনুষ্ঠিত দ্বিপাক্ষিক আলোচনাৰ পাছত এই চুক্তি স্বাক্ষৰ কৰা হয়। এটা প্ৰেছ বিবৃতিত প্ৰধানমন্ত্ৰীয়ে কয় যে বাংলাদেশ, ভাৰতৰ প্ৰতিবেশী ৰাষ্ট্ৰক অগ্ৰাধিকাৰ প্ৰদান নীতি, এক্ট ইষ্ট নীতি, ভিজন সাগৰ আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় সহযোগিতাৰ ক্ষেত্ৰত ভাৰতে গ্ৰহণ কৰা নীতিৰ আউটাত কৰে। তেওঁ কয় যে বিগত বছৰত দুয়োখন ৰাষ্ট্ৰই জনকল্যাণৰ লক্ষ্যৰে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্প সম্পূৰ্ণ কৰিছে। শ্ৰীমোদীয়ে কয় যে গংগা নৈৰ ওপৰেৰে দেশ দুখনৰ মাজত বিশ্বৰ দীৰ্ঘতম ৰিভাৰ ক্ৰুজ যাত্ৰা সফলতাৰে সম্পূৰ্ণ হোৱাৰ লগতে মৈত্ৰী পাইপ লাইনো সম্পূৰ্ণ হৈছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে ভাৰতে বাংলাদেশৰ জনসাধাৰণক চিকিৎসা সুবিধা প্ৰদান কৰাৰ বাবে সোনকালে ই-চিকিৎসা ভিছা মুকলি কৰিব। তদুপৰি দেশখনৰ ৰংপুৰত নতুন সহকাৰী উচ্চায়ুক্ত কাৰ্যালয় মুকলি কৰাৰ বাবেও সিদ্ধান্ত লোৱা হৈছে। দুয়োখন দেশে পাৰস্পৰিক বাণিজ্য, যোগাযোগ আৰু সহযোগিতাৰ দিশত গুৰুত্ব দিছে আৰু পৰৱৰ্তী সময়ত তেওঁলোকে ডিজিটেল আৰু শক্তি সংযোগৰ ওপৰত গুৰুত্ব আৰোপ কৰিব। ইয়াৰ ফলত দুয়োখন

দেশৰ অৰ্থনীতি বিকাশ ত্বৰান্বিত হ'ব বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে। আনহাতে দুয়োখন ৰাষ্ট্ৰই সৰ্বাত্মক অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিক লৈ আলোচনা কৰিবলৈ সাজু বুলিও তেওঁ মন্তব্য কৰে। ইপিনে বাংলাদেশৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে নিজৰ প্ৰেছ বিবৃতিত ভাৰতত বিশ্বাসী বন্ধু আৰু আঞ্চলিক সহযোগী বুলি অভিহিত কৰে। তেওঁ প্ৰধানমন্ত্ৰী মোদীক দুয়ো দেশৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক শক্তিশালী কৰাৰ বাবে দেশখন ভ্ৰমণ কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ অহা প্ৰধানমন্ত্ৰীগৰাকীক আজি পুৱাৰ ভাগত ৰাষ্ট্ৰপতি ভৱনৰ চৌহদত আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হয়। আজি শ্ৰীমতী হাছিনাই আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ক সাক্ষাৎ কৰিব।

০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি নতুন দিল্লীত জি এছ টি পৰিষদৰ ৫৩ সংখ্যক বৈঠকত অধ্যক্ষতা কৰে। কেন্দ্ৰীয় বিত্ত ৰাজ্যমন্ত্ৰী পংকজ চৌধুৰী, গোৱা, মেঘালয়, মিজোৰাম, নাগালেণ্ড আৰু চিকিমৰ মুখ্যমন্ত্ৰী, বিহাৰ, মধ্যপ্ৰদেশ, ওড়িশা, ৰাজস্থান আৰু তেলেংগানাৰ উপ-মুখ্যমন্ত্ৰী, ৰাজ্যসমূহৰ বিত্তমন্ত্ৰী আৰু অনান্য জ্যেষ্ঠ বিষয়াসকল এই বৈঠকত উপস্থিত থাকে। অসমৰ বিত্তমন্ত্ৰী অজন্তা নেওগ আৰু জিএছটি আয়ুক্ত জয়ন্ত নাৰ্লিকৰে বৈঠকত অংশগ্ৰহণ কৰে।

০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে নতুন দিল্লীত আজি সকলো ৰাজ্যৰ বিত্ত মন্ত্ৰীসকলৰ সৈতে প্ৰাক বাজেট বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত আলোচনা কৰা হয়। এই বৈঠকত অসমৰ বিত্ত মন্ত্ৰী অজন্তা নেওগ উপস্থিত থাকে।

০০০০০

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে ভাৰতীয় জনতা পাৰ্টিৰ অসম প্ৰদেশে সমিতি গঠন কৰিছে। ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই আজি সমিতিৰ সদস্যসকলৰ নাম প্ৰকাশ কৰিছে। সেই অনুসৰি দলৰ ৰাজ্যিক সাধাৰণ সম্পাদক দিপ্লু ৰঞ্জন শৰ্মাক উপ-নিৰ্বাচন সমিতিৰ আহ্বায়ক হিচাপে নিযুক্তি দিয়া হৈছে। ছিদলি বিধানসভা সমষ্টিৰ বাবে বিধায়ক অজয় ৰায়, বি টি আৰৰ কাৰ্যবাহী সদস্য ৰাজীৱ ব্ৰহ্ম আৰু বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য বিভূতি বৰগয়াৰীক দায়িত্ব দিয়া হৈছে। বঙাইগাঁও বিধানসভা সমষ্টিৰ বাবে ৰাজ্যিক বিজেপিৰ অবিচি মৰ্চাৰ অশ্বিনী ৰায় সৰকাৰ, বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য বনদীপ ডেকা আৰু বি টি আৰৰ কাৰ্যবাহী সদস্য অৰূপ দে'ক দায়িত্ব দিয়া হৈছে। বিধায়ক জিতু গোস্বামী, বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক অনিল শইকীয়া আৰু মহেন্দ্ৰ কোঁৱৰক চামগুৰি বিধানসভা সমষ্টিৰ দায়িত্ব দিয়া হৈছে। একেদৰে ধলাই বিধানসভা সমষ্টিৰ বাবে বিধায়ক কৌশিক ৰায়, দলৰ ৰাজ্যিক সম্পাদক কনাদ পুৰকায়স্থ আৰু কাছাৰ জিলা বিজেপিৰ সাধাৰণ সম্পাদক শশাংক পালক দায়িত্ব দিয়া হৈছে। বিহালি বিধানসভা সমষ্টিৰ বাবে ৰাজ্যিক বিজেপিৰ চাহ জনগোষ্ঠী মৰ্চাৰ সভাপতি দুলেন নায়কৰ লগতে বিধায়কদ্বয় দিগন্ত কলিতা আৰু ভূবন পেগুক দায়িত্ব দিছে ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই।

ইপিনে কেন্দ্ৰীয় মন্ত্ৰীসভাত স্থান লাভ কৰা সৰ্বানন্দ সোণোৱাল আৰু পবিত্ৰ মাৰ্ঘেৰিটাসহ বিজেপিৰ নৱনিৰ্বাচিত সাংসদক আজি বাজপেয়ী ভৱনত সম্বৰ্ধনা জনোৱা হয়। এই সম্বৰ্ধনা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকে।

০০০০০

বৃক্ক আৰু যকৃৎ সংৰোপণৰ ক্ষেত্ৰত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি এখন সংবাদমেলযোগে প্ৰকাশ কৰে। প্ৰথমবাৰৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত সফলতাৰে দুজন লোকৰ দেহত বৃক্ক সংৰোপণ কৰাৰ পাছত চিকিৎসালয়খনত উপস্থিত হৈ মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, ৰাজ্যত শেহতীয়াকৈ অংগদান প্ৰক্ৰিয়া আৰম্ভ হৈছে। দাক্ষিণাত্যত ব্ৰেইন ডেথ হোৱা লোকৰ অংগ দান কৰাৰ ক্ষেত্ৰত পূৰ্বৰে পৰা সজাগতা আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে, ৰাজ্যত সজাগতাৰ অভাৱৰ বাবে অংগদানৰ সংখ্যা সীমিত। অৱশ্যে শেহতীয়াকৈ পৰাগজ্যোতি গগৈ নামৰ লোকজনৰ বৃক্কৰে দুজনকৈ লোকক নতুন জীৱন দিব পৰা গ'ল বুলি তেওঁ প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে ব্ৰেইন ডেথ হোৱা লোকৰ অংগদান কৰিব বিচাৰিলে লোকজনৰ পৰিয়ালক জি এম চি এইচ কৰ্তৃপক্ষৰ সৈতে যোগাযোগ কৰিবলৈ আহ্বান জনায়। ইপিনে মুখ্যমন্ত্ৰীগৰাকীয়ে আজি জি এম চি এইচত আই ভি এফ কেন্দ্ৰ মুকলি কৰে। এই কেন্দ্ৰত বৰ্তমানলৈ ৩৬ গৰাকী মহিলাক আই ভি এফ চিকিৎসা প্ৰদান কৰা হৈছে।

০০০০০

বিগত কিছুদিন ধৰি ৰাজ্যখনত ধাৰাষাৰ বৰষুণৰ পাছত বতৰ ফৰকাল হৈছে যদিও ৰাজ্যৰ কেইবাখনো জিলাত বান পৰিস্থিতি জটিল হৈ আছে। কপিলী আৰু কুশিয়াৰাৰ লগতে কেইবাখনো নৈৰ জলপৃষ্ঠ বিপদ সীমাৰ ওপৰত আছে। শেহতীয়া তথ্য অনুসৰি ১২খন জিলাৰ ৩৫ টা ৰাজহ চক্ৰৰ এহেজাৰৰো অধিক গাওঁ বানৰ কবলত আছে। এই বানত ৰাজ্যৰ ৩লাখ ৫৩হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। প্ৰশাসনে স্থাপন কৰা ১২০টা আশ্ৰয় শিবিৰত ১৫ হাজাৰৰো অধিক আশ্ৰয় লয় আছে। আনহাতে ১২৫ টা সাহায্য বিতৰণ কেন্দ্ৰত অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ কৰি থকা হৈছে।

০০০০০

ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি বানৰ সময়ছোৱাত ল'বলগীয়া বিভিন্ন কাৰ্যব্যৱস্থাৰ প্ৰস্তুতি সন্দৰ্ভত এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ উপ সচিব আৰু ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ প্ৰকল্প সমন্বয়ক অলকানন্দা মেধিৰ উপস্থিতিত অনুষ্ঠিত এই সভাত খহনীয়া প্ৰতিৰোধৰ বিষয়ে আলোচনা কৰা হয়। পৰ্যালোচনা সভাত ডিব্ৰুগড়ৰ অতিৰিক্ত জিলা আয়ুক্ত ডা০ মণিকা বৰাৰ লগতে বিভিন্ন ৰাজহ চক্ৰৰ চক্ৰবিষয়াসকল উপস্থিত থাকে। পৰ্যালোচনা বৈঠকৰ অন্তত সংশ্লিষ্ট বিভাগৰ বিষয়াসকলে মোহনাঘাট, আইথান আৰু টিংখাং মাটিকটাৰ খহনীয়াপীড়িত অঞ্চল পৰিদৰ্শন কৰে। দলটোৱে লগতে বিন্ধাকটাৰ আদৰ্শ সাহায্য শিবিৰ, ডিব্ৰুগড় পূব ৰাজহ চক্ৰৰ অন্তৰ্গত লাহোৱালৰ এন ডি আৰ এফৰ আঞ্চলিক সঁহাৰি কেন্দ্ৰ, মইনাজান আৰু পৌৰনিগমৰ সমীপৰ পানী নিষ্কাশনৰ স্থান আৰু এছ ডি আৰ এফৰ অধীনত ৰহমৰীয়াত চলি থকা ব্ৰহ্মপুত্ৰ নদীৰ পাৰৰ সুৰক্ষাৰ কাম-কাজৰ বুজ লয়।

০০০০০

ৰাজ্যৰ মাধ্যমিক বিদ্যালয়সমূহৰ নতুন ভৱন নিৰ্মাণ সন্দৰ্ভত আজি মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে লোকনিৰ্মাণ আৰু শিক্ষা বিভাগৰ বিষয়াসকলৰ সৈতে এই বৈঠকত আলোচনাত মিলিত হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে ইতিমধ্যে প্ৰতিটো বিধানসভা সমষ্টিৰ নিৰ্বাচিত দুখনকৈ মাধ্যমিক বিদ্যালয় ভৱনৰ নিৰ্মাণকাৰ্য শীঘ্ৰেই আৰম্ভ কৰিবলৈ নিৰ্দেশ দিছে।

ooooo

শক্তিপীঠ কামাখ্যা ধামত আজিৰে পৰা অম্বুবাচী মেলা অনুষ্ঠিত হৈছে। আজি পুৱা ৮ বাজি ৪৩ মিনিট ৩৯ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হোৱাৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হয়। ২৬ জুনত দেৱীক পৰম্পৰাগতভাৱে স্নান আৰু নিত্য পূজাৰ পাছত পুৱা ৬ বজাত মন্দিৰৰ দুৱাৰ মুকলি কৰা হ'ব। কামাখ্যা মন্দিৰ পৰিচালনা সমিতিয়ে প্ৰকাশ কৰা মতে কালিৰে পৰা ৩০ জুনলৈ কোনোধৰণৰ ভি আই পি, ভি ভি আই পিৰ প্ৰৱেশ পত্ৰৰ ব্যৱস্থা ৰখা হোৱা নাই। একেদৰে ২৬ আৰু ২৭ জুনত বিশেষ টিকটৰ ব্যৱস্থা নাথাকিব। তদুপৰি ভক্তসকলক মেলাৰ কেইদিন নিশা ৮ বজা পৰ্যন্তহে নীলাচল পাহাৰত প্ৰৱেশ কৰিবলৈ দিয়া হ'ব। অৱশ্যে পাণ্ডুৰ পৰা কামাখ্যা মন্দিৰলৈ যোৱা পথটো ভক্তসকলৰ বাবে নিশা ৯ বজা পৰ্যন্ত খোলা থাকিব। অম্বুবাচী মেলাৰ বাবে প্ৰশাসনে আজি পুৱা ৫ বজাৰ পৰা ২৫ জুনৰ মাজ নিশালৈ গাড়ী-মটৰ চলাচলত বিশেষ নিৰ্দেশনা জাৰি কৰিছে। যান বাহন শাখাৰ উপায়ুক্তই জনোৱা মতে আজিৰে পৰা কেইবাটাও পথত যানবাহন চলাচলৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰা হৈছে। তীৰ্থযাত্ৰী, ভক্ত, দিব্যাংগসকলৰ সুৰক্ষিত যাতায়াত নিশ্চিত কৰাৰ লগতে জৰুৰীকালীন সেৱাৰে জড়িত যান বাহনৰ চলাচল সুচল কৰাৰ বাবে এই বাধা আৰোপ কৰা হৈছে। অম্বুবাচী মেলাৰ সময়ছোৱাত ফুটহিলৰ পৰা কামাখ্যা মন্দিৰলৈ কোনো বাহন চলাচল কৰিব নোৱাৰিব। দেশী-বিদেশী, বিভিন্ন বেশ-ভূষাৰ সাধু,সন্নাসী তথা ভক্তৰ সমাগমেৰে কামাখ্যা মন্দিৰৰ চৌহদত উখল-মাখল পৰিবেশে বিৰাজ কৰিছে। উল্লেখযোগ্য যে ভক্তসকল যাতে কোনোধৰণৰ অসুবিধাৰ সন্মুখীন নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি কামাখ্যা ৰে'ল ষ্টেচন আৰু পাণ্ডু ঘাটত দুটাকৈ আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছে। তদুপৰি প্ৰশাসনৰ অনুমতি লাভ কৰা বিভিন্ন স্বেচ্ছাসৱী সংগঠনে ভক্তসকলক খাদ্য যোগান ধৰিছে। অম্বুবাচী মহোৎসৱৰ প্ৰতি লক্ষ্য ৰাখি সমগ্ৰ নীলাচল পাহাৰক ধূমপানমুক্ত অঞ্চল হিচাপে ঘোষণা কৰা হৈছে। সুৰাপান অথবা অন্য নিচাযুক্তদ্ৰব্য সেৱন কৰা কোনো লোকক দেৱালয়ৰ ভিতৰত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব। মহোৎসৱৰ প্ৰতি লক্ষ্য ৰাখি আৰক্ষী প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। ইপিনে, কামৰূপ মহানগৰ জিলাৰ শিক্ষা বিভাগে বিদ্যালয়সমূহলৈ অম্বুবাচী মেলাৰ সময়ত পৰীক্ষা অনুষ্ঠিত নকৰিবলৈ নিৰ্দেশ জাৰি কৰিছে। জিলা আয়ুক্তৰ নিৰ্দেশমৰ্মে বিদ্যালয়সমূহৰ পৰিদৰ্শক দীপিকা চৌধুৰীয়ে আজিৰে পৰা ২৬ জুনলৈ কোনোধৰণৰ পৰীক্ষা অনুষ্ঠিত নকৰিবলৈ বিদ্যালয়সমূহক আহ্বান জনাইছে। জিলাখনৰ অন্তৰ্গত সকলো চৰকাৰী, প্ৰাদেশিকীকৃত আৰু ব্যক্তিগত বিদ্যালয়লৈ এই জাননী জাৰি কৰা হৈছে। কোনো বিদ্যালয়ে যদি অম্বুবাচী মেলাৰ দিনকেইটাত পৰীক্ষা দিন ধাৰ্য কৰিছে তেন্তে সেয়া সাল-সলনি কৰিবলৈ জাননীখনত উল্লেখ কৰা হৈছে।

ইফালে, পৰম্পৰাগত ৰীতি অনুসৰি আজি অম্বুবাচী প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰৰ সমান্তৰালভাৱে ৰাজ্যৰ বিভিন্ন মঠ-মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হৈছে। অম্বুবাচীৰ নিবৃত্তিৰ পাছতে এই মন্দিৰসমূহৰ দুৱাৰ পুনৰ ভক্তৰ বাবে মুকলি কৰা হ'ব। গোলাঘাট জিলাৰ কাজিৰঙাৰ আহোম ৰজা গদাধৰ সিংহৰ স্মৃতি বিজড়িত শ্ৰীশ্ৰী কাকগোঁসানী থানৰ প্ৰৱেশ দ্বাৰ বন্ধ কৰি দিয়া হৈছে। মহামায়া থানখনৰ মণিকূটৰ দুৱাৰ অম্বুবাচী

নিবৃত্তিৰ পাছতে পূজাৰীয়ে দেৱীৰ চৰণত সেৱা আগবঢ়াই মুকলি কৰিব। একেদৰে ৰাজ্যৰ অনান্য প্ৰান্তৰ মন্দিৰ-দেৱালয়সমূহৰ দুৱাৰো আজি বন্ধ কৰি দিয়া হৈছে।

ooooo

জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই আজি বান ক্ষতিগ্ৰস্ত দৰং জিলাৰ বিভিন্ন অঞ্চল ভ্ৰমণ কৰি ছিগা মথাউৰিসমূহ ক্ষীপ্ৰতাৰে মেৰামতি কৰিবলৈ নিৰ্দেশ দিয়ে। ছিগা মথাউৰিৰ পুনৰ নিৰ্মাণ কৰাৰ সময়ছোৱাত বানপীড়িত ৰাইজক প্ৰয়োজনীয় সাহায্য প্ৰদান কৰিবলৈ তেওঁ দৰং জিলা আয়ুক্তক নিৰ্দেশ দিয়ে। মন্ত্ৰী শ্ৰীহাজৰিকাই কয় যে, বান প্ৰতিৰোধৰ বাবে জলসম্পদ বিভাগে যুদ্ধকালীন তৎপৰতাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। মন্ত্ৰীগৰাকীয়ে জিলাখনৰ কাঁহিতলিত দিমিলা নৈৰ বানৰ ফলত ছিগা জলসিঞ্চন বিভাগৰ ৰিং বান্ধ পৰিদৰ্শন কৰে। তেওঁ দৰং আৰু কামৰূপ জিলাৰ সীমামূৰীয়া অঞ্চল হালধাত উপস্থিত হৈ বৰনদী নৈৰ বাঢ়নী পানীয়ে প্লাৱিত কৰা বানপীড়িত অঞ্চল পৰিদৰ্শন কৰে। কামৰূপ জিলাৰ কলাজলৰ বানপীড়িত অঞ্চলো তেওঁ পৰিদৰ্শন কৰে। আজিৰ এই পৰিদৰ্শনকালত মন্ত্ৰীগৰাকীৰ সৈতে সাংসদ দিলীপ শইকীয়া, বিধায়ক বসন্ত দাস, বিধায়ক ড০ পৰমানন্দ ৰাজবংশী, বিধায়ক দিগন্ত কলিতাৰ লগতে জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়া আৰু জলসম্পদ বিভাগৰ অভিযন্তা, বিষয়া উপস্থিত থাকে।

ooooo

ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মাদক দ্ৰব্য সেৱনৰ অপকাৰিতা সম্পৰ্কে সজাগতা সৃষ্টি কৰিবলৈ আজি কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়ৰ পৰিদৰ্শকৰ কাৰ্যালয়ৰ উদ্যোগত এখন সজাগতা সভা অনুষ্ঠিত হয়। নিউ গুৱাহাটী আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ত আয়োজিত এই সজাগতা সভাত জিলাখনৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক দীপিকা চৌধুৰীয়ে ভাষণ দিয়ে। সভাত উপস্থিত থাকি সমল ব্যক্তি নিৰৰ মন শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলক পঢ়াশুনাত মনোযোগ বৃদ্ধি কৰাৰ লগতে চাপ, উদ্বিগ্নতা আদিৰ পৰা কেনেদৰে হাত সাৰিব পাৰি সেই বিষয়ে পৰামৰ্শ আগবঢ়ায়। তদুপৰি কোনো কাৰণতে নিজৰ চাপ বা হতাশা দূৰ কৰাৰ বাবে নিচাযুক্ত দ্ৰব্যৰ আশ্ৰয় নল'বলৈ তেওঁলোকক পৰামৰ্শ আগবঢ়ায়।

ooooo

যোৰহাট জিলা প্ৰশাসনে অহা ১ জুলাইত যোৰহাট জিলা দিৱস উদযাপনৰ প্ৰস্তুতি চলাইছে। সেই অনুসৰি প্ৰশাসনে ২৯ জুনৰ পৰা ১ জুলাইলৈ তিনিদিনীয়া কাৰ্যসূচীৰে এই দিৱস আয়োজনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। **মৰমৰ যোৰহাট** গঢ়ি তোলাৰ উদ্দেশ্যে পৰিৱেশ নিকাকৰণ, গ্ৰন্থ উপহাৰ, সাংস্কৃতিক শোভাযাত্ৰা, গাঁওসভা, বিশিষ্ট ব্যক্তিসকলৰ লগত আলোচনা চক্ৰ, সকলো বিভাগৰ দ্বাৰা নিজ নিজ ধবজাবাহী আঁচনিৰ প্ৰচাৰ তথা কাৰ্যকৰীকৰণ, সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰিছে।

ooooo

পশুপালন আৰু পশু চিকিৎসা বিভাগে আজি বোকাখাটত সামূহিক উন্নয়ন আঁচনিৰ অধীনত গাহৰি আৰু ছাগলী পালনৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰে। বোকাখাটৰ পশু চিকিৎসা বিজ্ঞান আৰু পশুপালন বিদ্যালয়ত অনুষ্ঠিত এই কাৰ্যসূচীৰ উদ্বোধনী অনুষ্ঠানত কৃষিমন্ত্ৰী অতুল বৰাই অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰশিক্ষাৰ্থীসকলৰ

সৈতে মত বিনিময় কৰাৰ লগতে তেওঁলোকক শুভেচ্ছা জ্ঞাপন কৰে। এই প্ৰশিক্ষণ কাৰ্যসূচী ২৮০ গৰাকী যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে।

০০০০০

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি ছুপাৰ-এইট পৰ্যায়ৰ এখন খেলত ভাৰত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত এণ্টিগুৱাৰ নৰ্থ ছাউণ্ডৰ ছাৰ ভিভিয়ান ৰিছাৰ্ডছ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। ছুপাৰ-এইটৰ নিজৰ প্ৰথমখন খেলত ভাৰতে আফগানিস্তানক ৪৭ ৰানত পৰাস্ত কৰিছিল। আকাশবাণীয়ে আজিৰ খেলখনৰ পোনপটীয়া প্ৰচাৰ কৰিব।

ইপিনে আজি পুৱা বাৰবাডোছৰ কেনছিংটন অভেলত অনুষ্ঠিত এখন খেলত ৱেষ্ট ইণ্ডিজে আমেৰিকা যুক্তৰাষ্ট্ৰক ৯ উইকেটত পৰাস্ত কৰে। ৱেষ্ট ইণ্ডিজে ১২৯ ৰানৰ লক্ষ্য অনুসৰণ কৰি মাত্ৰ ১০ অভাৰ ৫টা বলতে ১৩০ ৰান কৰি খেলখনত বিজয়ী হয়। দলটোৰ হৈ ছাই হ'পে ৩৯ টা বলত ৮২ ৰান কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰই প্ৰথমে বেট ধৰি ১৯ অভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১২৮ ৰান সংগ্ৰহ কৰে। ৱেষ্ট ইণ্ডিজৰ ৰ'ষ্টন চেজে তিনিটা উইকেট দখল কৰে আৰু তেওঁ প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত **নতুন ফৌজদাৰী আইনৰ অধীনত মহিলা সম্পৰ্কীয় বিষয় সন্দৰ্ভত** আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অধিবক্তা চাহিনা নাজনিন অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামী আৰু অনুজা লোপামুদ্ৰাই। আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ ফোন নম্বৰ যোগে অতিথিৰ সৈতে কথা পাতিব পাৰিব।

০০০০০

সমাপ্ত